# 2 0 2 1

( Held in 2022 )

## ASSAMESE

Paper : ASM–SE–3014

( Skill Enhancement Course )

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৬=৬

(ক) 'বিজ্ঞান লেখকৰ হাতপুথি' নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(খ) ইংৰাজী 'Advertisement' শব্দটোৰ অসমীয়া প্ৰতিশব্দ কি?

(গ) বৈদ্যুতিন মাধ্যমৰ এটা উদাহৰণ দিয়া।

(ঘ) প্ৰথম অসমীয়া চলচ্চিত্ৰ 'জয়মতী'ৰ চিত্ৰনাট্য কাৰ নাটকৰ আলমত ৰচিত হৈছিল?

(ঙ) ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অগ্নিস্নান' চলচ্চিত্ৰৰ চিত্ৰনাট্য কোনখন উপন্যাসৰ আধাৰত ৰচিত হৈছিল?

(চ) 'আৰ্হিপাঠ'ৰ ইংৰাজী প্ৰতিশব্দ কি?

২। চমু উত্তৰ লিখা : ২×২=৪

(ক) বৰ্ণাশুদ্ধি বুলিলে কি বুজা?

(খ) চিত্ৰনাট্য কাক বোলে?

৩। চমু টোকা লিখা (যি কোনো **দুটা**) : ৫×২=১০

(ক) বিজ্ঞাপন সংস্থা

(খ) বাতৰি-কাকতৰ সংবাদ ৰচনা

(গ) অসমীয়া আখৰ-জোঁটনিৰ বেমেজালি

(ঘ) চুটি ছবি (short film)

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) আৰ্হি পাঠ মানে কি? আৰ্হি পাঠৰ পদ্ধতি আৰু কৌশলৰ বিষয়ে আলোচনা কৰা।

(খ) বিজ্ঞাপন বুলিলে কি বুজা? ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানত পদখালী-বিষয়ক বিজ্ঞাপনৰ এটা নমুনা প্ৰস্তুত কৰা।

(গ) ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰা বিজ্ঞাপনৰ ক্ষেত্ৰত কি কি সুবিধা আৰু অসুবিধাৰ সন্মুখীন হোৱা যায়, ব্যাখ্যা কৰা।





(ঘ) এজন মানুহৰ সাক্ষাৎকাৰ কিয় লোৱা হয়? সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত এজন ঔপন্যাসিকৰ সৈতে হ'বলগীয়া এটা সাক্ষাৎকাৰৰ বাবে এখন প্ৰশ্ন-তালিকা প্ৰস্তুত কৰা।

(ঙ) অনুবাদৰ সাৰ্থকতা কিহৰ ওপৰত নিৰ্ভৰশীল, আলোচনা কৰা।

(চ) এখন চলচ্চিত্ৰৰ চিত্ৰনাট্য নিৰ্মাণত কাহিনীয়ে কেনে ভূমিকা পালন কৰে? চিত্ৰনাট্যৰ সংলাপ আৰু দৃশ্যমানতাৰ (visuality) সমতা কেনেকৈ ৰক্ষা কৰা হয়, আলোচনা কৰা।

(ছ) তলৰ কাহিনীটোৰ আধাৰত এখন চিত্ৰনাট্য প্ৰস্তুত কৰা :

বিংকু আৰু পিংকুৱে খেলি আছে। হঠাৎ সিহঁতৰ মাজত কাজিয়া লাগিল। খেল চাই থকা বিংকুৰ বায়েক ৰীতাই সিহঁতক কাজিয়া নকৰিবলৈ ক'লে। দুয়োটাই আকৌ মহানন্দে খেলিবলৈ আৰম্ভ কৰি দিলে।

★★★